কর্ম মোৰ সংস্কৃতি

অসম জাতীয় বিদ্যালয়

নুনমাটি, গুৱাহাটী

পুস্তিকা

PROSPECTUS, 2027-28

Assam Jatiya Bidyalay
Noonmati, Guwahati



শিক্ষাবর্ষ : ২০২৭-২৮

Academic Session : 2027-28

২০২৭-২৮ শিক্ষাবর্ষৰ বাবে নতুন নামভর্তি আৰু প্ৰৱেশ পৰীক্ষা সম্পৰ্কীয় সময়সূচী

অংকুৰ, কুঁহি আৰু সোপান শ্ৰেণী :

- নামভর্তিৰ বাবে প্ৰপত্ৰ সংগ্ৰহ আৰু জমা দিয়াৰ তাৰিখ : ১৬-১১-২০২৬ৰ পৰা ৩০-১১-২০২৬লৈ।
- প্ৰপত্ৰ দিয়া/লোৱাৰ সময় : পুৱা ৯.০০ বজাৰ পৰা দিনৰ ১.০০ বজালৈ (বিদ্যালয় খোলা থকা দিনত)।
- অংকুৰ শ্ৰেণীত নামভর্তিৰ বাবে বয়স : ৩ বছৰৰ পৰা ৪ বছৰ (২০২৭ চনৰ ১ মাৰ্চত)।
- কুঁহি শ্ৰেণীত নামভর্তিৰ বাবে বয়স : ৪ বছৰৰ পৰা ৫ বছৰ (২০২৭ চনৰ ১ মাৰ্চত)।
- সোপান শ্ৰেণীত নামভর্তিৰ বাবে বয়স : ৫ বছৰৰ পৰা ৬ বছৰ (২০২৭ চনৰ ১ মাৰ্চত)।
- সোপান শ্ৰেণীত নামভর্তিৰ বাবে শিশুৰ মৌখিক সাক্ষাৎকাৰ : ০১-১২-২০২৬, পুৱা১০.০০ বজা।
- অংকুৰ, কুঁহি আৰু সোপান শ্ৰেণীৰ নামভর্তিৰ বাবে নিৰ্বাচিত শিশুৰ তালিকা প্ৰকাশ : ০৩-১২-২০২৬; দিনৰ ১.০০ বজা।
- অভিভাৱকৰ সভা : ০৫-১২-২০২৬ ; পুৱা ১০.০০ বজাত অংকুৰ, কুঁহি আৰু সোপান শ্ৰেণীত নামভর্তিৰ বাবে নিৰ্বাচিত শিশুৰ অভিভাৱকৰ লগত সভা। পুৱা ১০.০০ বজাত সভাত উপস্থিত নাথাকিলে মূল তালিকাত স্থান পোৱা শিশুৰ আসন বাতিল হ'ব। সভালৈ শিশুসকলক লগত আনিব নোৱাৰিব। অপেক্ষা তালিকাৰ শিশুৰ অভিভাৱক এই সভাত উপস্থিত থাকিব নালাগে।
- নামভর্তিকৰণ : ১২-১২-২০২৬ ; দিনৰ ১২.৩০ বজাৰ পৰা বিয়লি ২.৩০ বজালৈ। মূল তালিকাৰ আসন পূৰণ নহ'লে অপেক্ষা তালিকাৰ পৰা প্ৰাৰ্থীৰ অভিভাৱকক বিদ্যালয়ৰ ফালৰ পৰা ফোনযোগে যোগাযোগ কৰা হ'ব আৰু সেই মৰ্মে ১৫-১২-২০২৬ তাৰিখে নামভর্তিকৰণ কৰা হ'ব।

প্ৰথম শ্ৰেণী :

- প্ৰথম শ্ৰেণীত নামভর্তিৰ বাবে প্ৰপত্ৰ সংগ্ৰহ আৰু জমা দিয়া তাৰিখ : ১৬-১১-২০২৬ ৰ পৰা ০৫-১২-২০২৬লৈ।
- প্ৰপত্ৰ দিয়া/লোৱাৰ সময় : পুৱা ৯.০০ বজাৰ পৰা দিনৰ ১.০০ বজালৈ (বিদ্যালয় খোলা থকা দিনত)।
- প্ৰথম শ্ৰেণীত নামভর্তিৰ বাবে বয়স : ন্যূনতম ৬ বছৰ (২০২৭ চনৰ ১ মাৰ্চত)।
- প্ৰথম শ্ৰেণীৰ প্ৰৱেশ পৰীক্ষা : ১২-১২-২০২৬ ; দিনৰ ১২.৩০ বজাৰ পৰা বিয়লি ৩.৩০ বজালৈ ।
- প্ৰথম শ্ৰেণীৰ প্ৰৱেশ পৰীক্ষাৰ ফলাফল : ১৯-১২-২০২৬ ; আবেলি ১.০০ বজা।
- প্ৰথম শ্ৰেণীত নামভর্তিকৰণ : ০২-০১-২০২৭ ; দিনৰ ১২.৩০ বজাৰ পৰা ১.৩০ বজালৈ। মূল তালিকাৰ আসন পূৰণ নহ'লে অপেক্ষা তালিকাৰ পৰা প্ৰাৰ্থীৰ অভিভাৱকক বিদ্যালয়ৰ ফালৰ পৰা ফোনযোগে যোগাযোগ কৰা হ'ব আৰু সেই মৰ্মে ০৪-০১-২০২৭ তাৰিখে নামভর্তিকৰণ কৰা হ'ব।

দ্বিতীয় শ্ৰেণীৰ পৰা নৱম শ্ৰেণী :

- দ্বিতীয় শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ নামভর্তিকৰণৰ বাবে (সীমিত সংখ্যক আসনৰ বাবে) প্ৰপত্ৰ সংগ্ৰহ আৰু জমা দিয়াৰ তাৰিখ : ১৬-১১-২০২৬ ৰ পৰা ০৫-০৩-২০২৭লৈ।
- প্ৰপত্ৰ দিয়া/লোৱাৰ সময় : পুৱা ৯.০০ বজাৰ পৰা দিনৰ ১.০০ বজালৈ (বিদ্যালয় খোলা থকা দিনত)।
- দ্বিতীয়ৰ পৰা নৱম শ্ৰেণীলৈ নামভর্তিকৰণৰ প্ৰৱেশ পৰীক্ষা : ১১-০৩-২০২৭; দিনৰ ১২.৩০ বজাৰ পৰা আবেলি ৩.৩০ বজালৈ।
- প্ৰৱেশ পৰীক্ষাৰ ফলাফল : ২০-০৩-২০২৭ ; দিনৰ ১.০০ বজা।
- নামভর্তিকৰণ : ২৭-০৩-২০২৭ ; দিনৰ ১২.৩০ বজাৰ পৰা ২.০০ বজালৈ। মূল তালিকাৰ আসন পূৰণ নহ'লে অপেক্ষা তালিকাৰ পৰা প্ৰাৰ্থীৰ অভিভাৱকক বিদ্যালয়ৰ ফালৰ পৰা ফোনযোগে যোগাযোগ কৰা হ'ব আৰু সেই মৰ্মে ২৯-০৩-২০২৭ তাৰিখে নামভর্তিকৰণ কৰা হ'ব।

প্ৰৱেশ পৰীক্ষাৰ বিষয়ে

- প্ৰতি বছৰে অংকুৰ আৰু প্ৰথম শ্ৰেণীত নিয়মীয়াকৈ নামভর্তি কৰা হয়।
- আনবোৰ শ্ৰেণীত আসন খালী থাকিলেহে নামভর্তি কৰা হয়।
- অংকুৰ শ্ৰেণীৰ বাবে লটাৰীযোগে প্ৰাৰ্থী বাছনি কৰা হয়। অসম জাতীয় বিদ্যালয়ত পঢ়ি থকা শিক্ষাৰ্থীৰ ভায়েক-ভনীয়েকৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য নহয়, কিন্তু এই ক্ষেত্ৰত একেটা পৰিয়ালৰ দুটাতকৈ অধিক সন্তানৰ ক্ষেত্ৰত বিশেষ অগ্ৰাধিকাৰ দিয়া নহয়।
- কুঁহি শ্ৰেণীত নতুন নামভর্তিৰ বাবে লটাৰীযোগে প্ৰাৰ্থী বাছনি কৰা হয়।
- সোপান শ্ৰেণীত মৌখিক সাক্ষাৎকাৰৰ ভিত্তিত বাছনি কৰা হয়।
- প্ৰথম শ্ৰেণীত লিখিত আৰু মৌখিক সাক্ষাৎকাৰৰ ভিত্তিত বাছনি কৰা হয়। প্ৰাৰ্থীসকলে লগত ক্লিপ ব'ৰ্ড, পেন্সিল, ৰং পেন্সিল, ৰবৰ আদি ছবিৰ সামগ্ৰী আনিব লাগিব।
- দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ প্ৰৱেশ পৰীক্ষাৰ মুঠ নম্বৰ: ৮০। বিষয়সমূহ: অসমীয়া (২৫), গণিত (২৫), পৰিবেশ (১৫), ইংৰাজী (১০), ছবি (৫)।
- চতুৰ্থ আৰু পঞ্চম শ্ৰেণীলৈ প্ৰৱেশ পৰীক্ষাৰ মুঠ নম্বৰ: ১০০। বিষয়সমূহ: অসমীয়া (২৫), গণিত (২৫), বিজ্ঞান (২০), ইংৰাজী (২০), সাধাৰণ জ্ঞান (১০)।
- ষষ্ঠশ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ প্ৰৱেশ পৰীক্ষাৰ মুঠ নম্বৰ : ১০০। বিষয়সমূহ: অসমীয়া (২০), গণিত (৩০), বিজ্ঞান (২০), ইংৰাজী (২০), সাধাৰণ জ্ঞান (১০)।
- দশম শ্ৰেণীত নতুন ছাত্ৰ-ছাত্ৰীৰ নামভর্তি কৰা নহয়।
- একাদশ শ্ৰেণীৰ নামভর্তি সম্পৰ্কে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলৰ পাছত জাননী প্ৰকাশ কৰা হয়।
- নামভর্তিৰ সময়ত জন্মৰ মূল প্ৰমাণপত্ৰ দেখুৱাব লাগিব। অংকুৰ, কুঁহি, সোপান আৰু প্ৰথম শ্ৰেণীৰ বাবে ছিটাৰ মূল কার্ডখনো দেখুৱাব লাগিব। অন্যথা নামভর্তি কৰা নহয়।
- লিখিত পৰীক্ষাৰ সময় ৩ ঘণ্টা।
- নামভর্তিৰ ক্ষেত্ৰত বিদ্যালয় কৰ্তৃপক্ষৰ সিদ্ধান্তই চূড়ান্ত বুলি বিবেচিত হ'ব।

অসম জাতীয় বিদ্যালয়
ASSAM JATIYA BIDYALAY

নুনমাটি, গুৱাহাটী-৭৮১০২০
NOONMATI, GUWAHATI-781020

প্রতিষ্ঠা : ১ জানুৱাৰী, ১৯৯৪ চন

শিক্ষাবর্ষ- ২০২৭-২৮
ACADEMIC SESSION- 2027-28

(১ এপ্রিল, ২০২৭ - ৩১ মার্চ, ২০২৮)

কর্ম মোৰ সংস্কৃতি

শিক্ষাৰ ক্ষেত্ৰত সমগ্ৰ বিশ্বজুৰি বিজ্ঞানসন্মতভাৱে প্ৰতিষ্ঠিত এটা সত্য এয়ে যে শিক্ষা আহৰণৰ বাবে শ্ৰেষ্ঠ মাধ্যম হ'ল নিজৰ মাতৃভাষা। প্ৰতিভা আৰু ব্যক্তিত্বৰ বিকাশত স্কুলীয়া স্তৰত, মাতৃভাষাৰ মাধ্যমত শিক্ষা আহৰণে গভীৰ প্ৰভাৱ পেলোৱাৰ কথাটো বিভিন্ন সমীক্ষাই প্ৰতিপন্ন কৰিছে।

এই নীতিকে সাৱোগত কৰি সমাজত বৈজ্ঞানিক, কাৰিকৰী, আৰ্থ-সামাজিক, ভাষা-সাহিত্য, সংস্কৃতি সকলো দিশতে এচাম নতুন প্ৰতিভা সৃষ্টি আৰু গঢ় দিয়াৰ মানসেৰে ১৯৯৪ চনৰ ১ জানুৱাৰীত 'অসম জাতীয় বিদ্যালয়' প্ৰতিষ্ঠা কৰা হৈছে। অসমীয়া ভাষা-সংস্কৃতি তথা জাতি মুঠেও নিঃকিন, নিঃস্ব নহয়। এটা চহকী আৰু সবল ভাষা থকা সত্ত্বেও চাৰিওফালে বিৰাজ কৰা বৰ্তমানৰ একপ্ৰকাৰ হীনমন্যতা পৰিহাৰ কৰি আমি এই আত্মপ্ৰত্যয়েৰে আগ বাঢ়ি আহিছোঁ যে অসমীয়া ভাষাৰ মাধ্যমেৰেও সমাজ আৰু অভিভাৱকে বিচৰা শৃংখলাবদ্ধ পৰিবেশত ছাত্ৰ-ছাত্ৰীক উপযুক্ত শিক্ষা প্ৰদান কৰিব পাৰি।

নিজৰ পৰিচয় পাহৰি আৰু নিজৰ মূলটোৰ পৰা আঁতৰি, পাৰিপাৰ্শ্বিক সমস্যাৰাজি উপলব্ধি কৰাৰ ক্ষেত্ৰত একো একোজন দিশহাৰা নাগৰিক হৈ পৰাৰ সম্ভাৱনাৰ বিপৰীতে অসম জাতীয় বিদ্যালয়ত অৰ্হতাসম্পন্ন, ব্যক্তিত্বসম্পন্ন আৰু দায়িত্বশীল শিক্ষক-শিক্ষয়িত্ৰীৰ তত্ত্বাবধানত এইচাম ছাত্ৰ-ছাত্ৰীয়ে স্বকীয়তা অক্ষুণ্ণ ৰাখিহে জ্ঞানৰ প্ৰসাৰিত দিগন্তৰ বুকুলৈ ধাবমান হ'ব— এক আধুনিক দৃষ্টিভংগীৰে।

বৰ্তমানৰ বহু শিক্ষা অনুষ্ঠানত বিৰাজ কৰা জঠৰতা, ব্যৱসায়মুখিতা আৰু আসোঁৱাহৰ বিপৰীতে সময়ৰ নতুন নতুন প্ৰয়োজনীয়তাৰ লগত খাপ খুৱাব পৰাকৈ ছাত্ৰ-ছাত্ৰীক গঢ় দিয়াৰ প্ৰত্যাহ্বান অসম জাতীয় বিদ্যালয়ে গ্ৰহণ কৰিছে।

বিস্তৃত পৰিকল্পনাৰে গঢ় দিয়া বিদ্যালয়খনৰ মূল ভিত্তি হ'ল এটা মুকলি আৰু বৈজ্ঞানিক দৃষ্টিভংগী।



বিদ্যালয়খনৰ বৈশিষ্ট্যসমূহ

(১) মাতৃভাষাৰ মাধ্যমত শিক্ষা আহৰণৰ বিষয়টো বিজ্ঞানসন্মত বুলি মানি লৈও আমি বৰ্তমানৰ প্ৰতিযোগিতামূলক পৃথিৱীত ইংৰাজী ভাষাৰ গুৰুত্ব অস্বীকাৰ কৰিব খোজা নাই। বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী ভাষা আয়ত্ত কৰাৰ বিষয়ত যথোচিত গুৰুত্ব দিয়া হৈছে। আমি এই বিশ্বাসেৰে আগ বাঢ়িছোঁ যে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধকৈ আৰু ভালকৈ অসমীয়া ভাষা কোৱা, পঢ়া আৰু লিখাৰ লগতে শুদ্ধকৈ আৰু উন্নত মানৰ ইংৰাজী সমান দক্ষতাৰে ক'ব, পঢ়িব আৰু লিখিব পৰা হ'ব।

(২) বিদ্যালয়খনত ল'ৰা-ছোৱালীৰ সহ-শিক্ষাৰ ব্যৱস্থা আছে।

(৩) ছাত্ৰ-ছাত্ৰীসকলে অসম বুৰঞ্জীৰ সম্যক জ্ঞান আহৰণ কৰাটো স্কুলীয়া পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা হৈছে।

(৪) ছাত্ৰ-ছাত্ৰীয়ে যাতে নিজে হাতে-কামে পৰীক্ষা-নিৰীক্ষা কৰি কথাবোৰ শিকিব পাৰে তাৰ বাবে বিদ্যালয়খনত তৃতীয় শ্ৰেণীৰ পৰাই বিজ্ঞান পৰীক্ষাগাৰৰ ব্যৱস্থা আছে।

(৫) দৃশ্য-শ্ৰাব্য মাধ্যমৰ দ্বাৰা শিক্ষাৰ্থীক পাঠদান কৰোৱাৰ বাবে সুপৰিকল্পিত দৃশ্য-শ্ৰাব্য কোঠাৰ ব্যৱস্থা আছে।

(৬) ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধনৰ পৰিপূৰক আহিলা আৰু বিদ্যালয়খনৰ অপৰিহাৰ্য্য অংগ হিচাপে দুটা মানবিশিষ্ট পুথিভঁৰাল আছে। এই পুথিভঁৰালত প্ৰায় ১০,০০০ গ্ৰন্থ আৰু আলোচনী, বাতৰিকাকতৰ ব্যৱস্থা আছে।

(৭) সপ্তম আৰু অষ্টম শ্ৰেণীত সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে কম্পিউটাৰ শিক্ষাদানৰ ব্যৱস্থা আছে।

৮) শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী প্ৰতিটো শ্ৰেণীতে এক বিজ্ঞানসন্মত অনুপাতত ৰখা হৈছে, যাতে প্ৰতিজন শিক্ষাৰ্থীয়ে শিক্ষক-শিক্ষয়িত্ৰীৰ যথেষ্ট মনোযোগ পায়।

(৯) বিদ্যালয়ত অটল টিংকাৰিং লেবৰেটৰী (ATL)১০ অক্টোবৰ, ২০১৭ তাৰিখে শুভাৰম্ভ কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ নিটি আয়োগৰ অৰ্থ-সাহায্যৰে এই লেবৰেটৰীটো স্থাপন কৰা হৈছে।

(১০) স্কুল বেগ আৰু হ'মৰ্কৰ হেঁচাত যাতে কুমলীয়া ছাত্ৰ-ছাত্ৰীৰ স্বাভাৱিক বিকাশ বাধাপ্ৰাপ্ত নহয়, তাৰ প্ৰতি বিশেষ মনোযোগ ৰাখি স্কুল বেগৰ ওজন আৰু হ'মৰ্কৰ পৰিমাণ নিৰ্ধাৰণ কৰা হৈছে। তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ শিক্ষাৰ্থীসকলে সাধাৰণতে বিদ্যালয়লৈ কিতাপ আনিব নালাগে। বিশেষ প্ৰয়োজনত শিক্ষকৰ পৰামৰ্শ অনুসৰি দুই-এখন কিতাপ আনিবলগীয়া হ'ব পাৰে।

বিদ্যালয়খনৰ বৈশিষ্ট্যসমূহ

(১১) ছাত্ৰ-ছাত্ৰীৰ বাবে অভিভাৱকে ঘৰুৱা শিক্ষক নিযুক্তি দিয়াৰ কোনো প্ৰয়োজন নাথাকে। প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ সবল-দুৰ্বল দিশবোৰ আৰু বাপ-অভিৰুচিৰ বিষয়ে অভিভাৱকক অৱগত কৰোৱা হয়।

(১২) ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা শিক্ষাদানৰ মান মূল্যায়নৰ ব্যৱস্থা আছে।

(১৩) নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে একোগৰাকী শিক্ষক ছাত্ৰ-ছাত্ৰীৰ ঘৰলৈ গৈ ঘৰুৱা পৰিবেশ, পঢ়াৰ সা-সুবিধা আদিৰ বিষয়ে বুজ লোৱাৰ ব্যৱস্থা আছে।

(১৪) বিদ্যালয়খনৰ বিস্তৃত শৈক্ষিক দিনপঞ্জী আছে আৰু সেইখনৰ আধাৰত বিদ্যালয়ৰ কাৰ্য্যসূচীসমূহ পৰিচালিত হয়।

(১৫) **বৃত্তি :** মেধাবী ছাত্ৰ-ছাত্ৰীৰ বাবে বিভিন্ন স্তৰত কৃষ্ণকান্ত সন্দিকৈ বৃত্তি, আনন্দৰাম বৰুৱা বৃত্তি, বাণীকান্ত কাকতি বৃত্তি আৰু পদ্মনাথ গোহাঞি বৰুৱা বৃত্তি নামেৰে চাৰিটা বৃত্তি দিয়াৰ ব্যৱস্থা আছে। তদুপৰি, নিৰ্দিষ্ট ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱা শিক্ষাৰ্থীলৈ ভবেন কুমাৰ বৰা বৃত্তি, ত্ৰিদিৱ ভট্টাচাৰ্য্য বৃত্তি, সন্তদেৱ গোস্বামী বৃত্তি, শিৱানন্দ শৰ্মা বৃত্তি আৰু জ্যোতিশিখা চৌধুৰী বৃত্তি প্ৰদান কৰা হয়।

অসম জাতীয় বিদ্যালয়ত প্ৰবৰ্তিত হৈ থকা বিভিন্ন বৃত্তিৰ ক্ষেত্ৰত একোটা শিক্ষাবৰ্ষৰ ফলাফলৰ ওপৰত ভিত্তি কৰি নিম্নলিখিত নিয়মৰ ভিত্তিত বিভিন্ন বৃত্তি প্ৰদান কৰা হয়—

- চতুৰ্থ শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীসকলে পৰবৰ্তী শ্ৰেণীলৈ উত্তীৰ্ণ হোৱাৰ সময়ত বৃত্তি লাভৰ বাবে নিম্নতম ৯০ শতাংশ নম্বৰ পাব লাগিব।
- সপ্তম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলে পৰবৰ্তী শ্ৰেণীলৈ উত্তীৰ্ণ হোৱাৰ সময়ত নিম্নতম ৮৫ শতাংশ নম্বৰ পালে বৃত্তি লাভ কৰিব।
- হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসম জাতীয় বিদ্যালয়ৰ পৰা স্থানপ্ৰাপ্ত শিক্ষাৰ্থীলৈ ড০ বাণীকান্ত কাকতি বৃত্তি আগ বঢ়োৱা হয়।
- উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসম জাতীয় বিদ্যালয়ৰ পৰা স্থানপ্ৰাপ্ত শিক্ষাৰ্থীলৈ পদ্মনাথ গোহাঞি বৰুৱা বৃত্তি আগ বঢ়োৱা হয়।

(১৬) নৱম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ আৰু একাদশ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ, ৯০% বা ততোধিক মূল্যাংক লাভ কৰি উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীলৈ বিশেষ বৃত্তি প্ৰদান কৰা হয়। ইয়াৰ উপৰি দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ গোট পৰীক্ষা, বিশেষ পৰীক্ষা, ছয়মাহিলি পৰীক্ষাত ৯০% অথবা ততোধিক মূল্যাংক লাভ কৰা শিক্ষাৰ্থীলৈ ৫০% মাহিলি মাচুল ৰেহাই বিবেচনা কৰা হয়।

(১৭) হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়ৰ ভিতৰত ইংৰাজী বিষয়ত সৰ্বোচ্চ নম্বৰ পোৱা শিক্ষাৰ্থীলৈ ভবেন কুমাৰ বৰা বৃত্তি প্ৰদান কৰা হয়।

(১৮) অসমৰ সামাজিক আৰু সাংস্কৃতিক জীৱনলৈ নীৰৱ সাধনা, স্বকীয় প্ৰতিভা আৰু একক প্ৰচেষ্টাৰে অসামান্য অৱদান আগ বঢ়োৱা গুণী ব্যক্তিলৈ দুবছৰৰ মূৰে মূৰে অজাবি ন্যাসৰ দ্বাৰা 'অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ' প্ৰদানৰ ব্যৱস্থা আছে।

(১৯) অসমৰ সামাজিক-সাংস্কৃতিক ক্ষেত্ৰলৈ বিশেষ অৱদান আগ বঢ়োৱা কৃতী ব্যক্তিলৈ প্ৰতিবছৰে 'অসম জাতীয় বিদ্যালয় সন্মান' প্ৰদান কৰা হয়।

(২০) বিদ্যালয়খনত সপ্তাহত ৫ দিন নিয়মীয়াকৈ পাঠদান কৰা হয়। প্ৰতি শনিবাৰে ছাত্ৰ-ছাত্ৰীসকলে সত্ৰীয়া নৃত্য, ভৰত নাট্যম, কণ্ঠসংগীত, বাঁহী, তবলা, বেহেলা, ছবি, ভাস্কৰ্য্য, গীটাৰ, খেলা-ধূলা, স্কাউট আৰু গাইড আদি নিজৰ বাপ থকা বিষয়ত চৰ্চা কৰাৰ সুবিধা আছে।



বিদ্যালয়খনৰ বৈশিষ্ট্যসমূহ

(২১) সমাজৰ বিভিন্ন স্তৰৰ বিভিন্ন বৃত্তিত পাৰদৰ্শী আৰু অভিজ্ঞ ব্যক্তিৰ লগত ছাত্ৰ-ছাত্ৰীক নিয়মীয়াকৈ পৰিচয় কৰোৱা হয়, যাতে তেনে ব্যক্তিৰ জীৱনৰ বৈচিত্ৰ্যৰ সোৱাদ লোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ অভিজ্ঞতাৰ পৰিসীমা প্ৰসাৰিত হয়। অজাবিৰ প্ৰাক্তন শিক্ষাৰ্থীৰ লগত "Meet the alumni" শীৰ্ষক এক মত বিনিময় কাৰ্য্যসূচীও ২০২২ বৰ্ষৰ পৰা আৰম্ভ কৰা হৈছে।

(২২) শিক্ষক-শিক্ষয়িত্ৰীৰ শৈক্ষিক উৎকৰ্ষ সাধিবলৈ শিক্ষাদানৰ লগত জড়িত বিষয়ৰ ওপৰত নিৰ্ধাৰিত শনিবাৰে শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত বিষয়ভিত্তিক আলোচনা চক্ৰ অনুষ্ঠিত হয়।

(২৩) ছাত্ৰ-ছাত্ৰীৰ ভৰিষ্যতৰ কেৰিয়াৰ সম্পৰ্কে পৰামৰ্শদানৰ বিশেষ ব্যৱস্থা আছে।

(২৪) ২০০৯ চনৰ ১ আগষ্টৰ পৰা কলা বিভাগ আৰু ২০১০ চনৰ ১৪ জুনৰ পৰা বিজ্ঞান বিভাগৰ একাদশ- দ্বাদশ শ্ৰেণী আৰম্ভ কৰা হৈছে। শিক্ষাৰ্থীসকলক অসমীয়া আৰু ইংৰাজী দুয়োটা মাধ্যমতে পাঠদান কৰা হয়।

(২৫) ইচ্ছুক শিক্ষাৰ্থীসকলৰ বাবে অসম জাতীয় বিদ্যালয়ৰ দ্বাৰা পৰিচালিত উপযুক্ত বাছসেৰাৰ ব্যৱস্থা আছে।

(২৬) অজাবিয়ে দুৰ্য্যোগ প্ৰশমন আঁচনি ৰূপায়ণ কৰাৰ বাবে 'সৰ্বভাৰতীয় দুৰ্য্যোগ প্ৰশমন সংস্থা'ৰ দ্বাৰা আৰ্হি বিদ্যালয় হিচাপে স্বীকৃতি পাইছে।

(২৭) শিক্ষাৰ্থীসকলৰ সাধাৰণ জ্ঞান আৰু মানসিক সামৰ্থ্য বিকাশৰ লগতে সমসাময়িক ঘটনা প্ৰবাহৰ লগত পৰিচিত কৰাই ৰখাৰ উদ্দেশ্যে ২০১৪চনৰ ১ ফেব্ৰুৱাৰীৰ পৰা 'অন্বেষণ' নামৰ মাহেকীয়া আলোচনীখন নিয়মীয়াকৈ প্ৰকাশ কৰি থকা হৈছে।

(২৮) অসমৰ বিভিন্ন প্ৰান্তত থকা জাতীয় বিদ্যালয়সমূহৰ যিসকল শিক্ষাৰ্থীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ন্যূনতম ৮৫% নম্বৰ লাভ কৰে; কৃতিত্বৰ ক্ৰম অনুসৰি তেনে দহগৰাকী শিক্ষাৰ্থীক প্ৰতিবছৰে অজাবি শিক্ষা সংসদৰ তৰফৰ পৰা 'এজৰেক শৈক্ষিক বৃত্তি' আগ বঢ়োৱা হয়।

(২৯) অসমৰ মাননীয় ৰাজ্যপালে আগ বঢ়োৱা পুঁজিৰ পৰা অজাবি শিক্ষা সংসদৰ অন্তৰ্ভুক্ত অসমৰ জাতীয় বিদ্যালয়সমূহৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত লাভ কৰা নম্বৰৰ ভিত্তিত কৃতিত্বৰ ক্ৰম অনুসৰি প্ৰথম তিনিটা স্থানপ্ৰাপ্ত শিক্ষাৰ্থীক ৰাজ্যপালৰ উৎকৰ্ষ বঁটা হিচাপে ক্ৰমে সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদক আগ বঢ়োৱা হয়। এই বঁটা ২০২২-২৩ শিক্ষাবৰ্ষৰ পৰা প্ৰবৰ্তন কৰা হৈছে।

(৩০) শৈক্ষিক ক্ষেত্ৰত তুলনামূলকভাৱে অনগ্ৰসৰ শিক্ষাৰ্থীসকলক আগ বঢ়াই নিয়াৰ উদ্দেশ্যে প্ৰতিকাৰমূলক পাঠদানৰ ব্যৱস্থা আছে।

(৩১) প্ৰত্যেক শিক্ষাবৰ্ষৰ শেষত প্ৰাক্-বিদ্যালয়ৰ শিশুৰ কৰ্মৰাজিৰ প্ৰদৰ্শনী অনুষ্ঠিত হয়।

(৩২) প্ৰতিটো শ্ৰেণীৰ প্ৰতিটো শাখাৰ শিক্ষাৰ্থীসকলে প্ৰতিবছৰে একোখনকৈ হাতেলিখা আলোচনী প্ৰস্তুত কৰি উলিয়ায়। তৃতীয় শ্ৰেণীৰ পৰা নৱম শ্ৰেণীৰ মাজত হাতেলিখা আলোচনীৰ প্ৰতিযোগিতা আৰু প্ৰদৰ্শনী অনুষ্ঠিত হয়।

(৩৩) দ্বিতীয় শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ শিল্পকলা কৰ্মৰ প্ৰদৰ্শনী অনুষ্ঠিত হয়।

(৩৪) প্ৰতি দুবছৰৰ মূৰে মূৰে বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে আঁকা ছবিৰ প্ৰদৰ্শনী অনুষ্ঠিত হয়।

(৩৫) প্ৰতিবছৰে বিদ্যালয়ৰ বছৰেকীয়া আলোচনী 'ৰাখৰ' প্ৰকাশ কৰা হয়।



বিদ্যালয়খনৰ বৈশিষ্ট্যসমূহ



(৩৬) ইংৰাজী ভাষাটো আধুনিক প্ৰযুক্তিৰ সহায়েৰে অধিক আকৰ্ষণীয়কৈ শিকোৱাৰ বাবে স্প'কেন ইংলিছ (Spoken English) শিক্ষা ব্যৱস্থা থকাৰ লগতে বিদ্যালয়ত ইংৰাজী ভাষাৰ প্ৰয়োগশালা (English Language Laboratory) এটা আছে।

(৩৭) বিভিন্ন বিষয় অধিক আকৰ্ষণীয়কৈ শিকোৱাৰ বাবে স্মাৰ্ট ক্লাছৰ (Smart Class) ব্যৱস্থা আছে।

(৩৮) শিক্ষাৰ্থীসকলৰ শৃংখলাবদ্ধতা, নিয়মানুবৰ্তিতা, নেতৃত্ব দিব পৰা ক্ষমতা, সামাজিক দায়িত্ববোধ আদি গুণ বৃদ্ধি কৰোৱাৰ উদ্দেশ্যে প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ সকলো ছাত্ৰ-ছাত্ৰীক চাৰিটা হাউছত (House) অন্তৰ্ভুক্ত কৰা হৈছে। হাউছকেইটাৰ নাম হৈছে : Raimona House, Kaziranga House, Jatinga House, Patkai House.

(৩৯) একাদশ আৰু দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলক Assam State School Education Board (ASSEB) ৰ নিৰ্ধাৰিত পাঠ্যক্ৰমৰ লগতে NEET, IIT-JEE, CUET, IAT, NEST আদি প্ৰতিযোগিতামূলক প্ৰবেশ পৰীক্ষাসমূহৰ বাবে প্ৰস্তুত কৰাবলৈ সুকীয়াকৈ 'PHYSICS WALLAH' ৰ সহযোগত 'School Integrated Program' নামেৰে বিশেষ coaching শ্ৰেণীৰ ব্যৱস্থা আছে।

(৪০) অজাবিৰ বহুতো প্ৰাক্তন শিক্ষাৰ্থী অসমৰ বাহিৰেও ভাৰতবৰ্ষৰ IIT, IIM, IISc, AIIMS, NIT আদি উচ্চ শিক্ষা প্ৰতিষ্ঠানত অধ্যয়ন কৰি থকাৰ লগতে আমেৰিকা, জাৰ্মানী, ছিংগাপুৰ, দক্ষিণ কোৰিয়া, নেদাৰলেণ্ড, ইংলণ্ড, কানাডা, পোলেণ্ড আদি নানা দেশৰ আগশাৰীৰ বিশ্ববিদ্যালয়, উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানত গৱেষণাৰত আৰু বিভিন্ন ক্ষেত্ৰত কৰ্মৰত।

সহ-পাঠ্যক্ৰম আৰু অন্যান্য কৰ্মক্ষেত্ৰ

ৰসৰাজ সাহিত্য চ'ৰা

আইনষ্টাইন বিজ্ঞান কেন্দ্ৰ

পাঠ্যক্রম সম্পর্কে

(ক) **প্রাক-বিদ্যালয় (অংকুৰ, কুঁহি, সোপান শ্রেণী)** : বিভিন্ন শৈক্ষিক সা-সঁজুলি আৰু খেলা-ধূলাৰ মাধ্যমেৰে প্রকৃতিৰ লগতে আধুনিক জগতৰ বিভিন্ন সামগ্রীৰ লগত পৰিচিত কৰোৱা হয়। ৰং, আকৃতি, গাঁথনি, অৱয়ব, মাত্রা, দূৰত্ব আদিৰ লগতে আখৰ আৰু সংখ্যাৰ নিতান্ত প্রাথমিক জ্ঞানখিনি দিয়া হয়। লগতে শব্দার্থ, পৰিবেশ, ভাব, লয় আৰু সৃজনশীল চর্চাৰ কাৰণে বিশেষভাৱে প্রস্তুত কৰি উলিওৱা ছন্দোময় শিশুগীত ব্যৱহাৰ কৰা হয়। কুমলীয়া শিশুৱে যাতে স্বতঃস্ফূর্তভাৱে শিকিব পাৰে তাৰ কাৰণে প্রশিক্ষণপ্রাপ্ত শিক্ষক-শিক্ষয়িত্রীৰ দ্বাৰা সুচিন্তিত কার্য্যক্রমেৰে শিক্ষাদান কৰা হয়।

(খ) **প্রথম শ্রেণী-অষ্টম শ্রেণী** : ৰাজ্যিক শৈক্ষিক গৱেষণা আৰু প্রশিক্ষণ পৰিষদ (SCERT) আৰু ৰাষ্ট্রীয় শৈক্ষিক গৱেষণা আৰু প্রশিক্ষণ পৰিষদ (NCERT) ৰ দ্বাৰা নির্ধাৰিত পাঠ্যক্রমৰ আধাৰত অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আর্থ-সামাজিক ন্যাসৰ দ্বাৰা প্রকাশিত পাঠ্যপুথিৰ জৰিয়তে পাঠদান কৰা হয়। অসম জাতীয় বিদ্যালয়ৰ নিজস্ব লক্ষ্য, উদ্দেশ্য আৰু নীতিৰ আধাৰত প্রৱর্তন কৰা শৈক্ষিক কার্য্যক্রমসমূহৰ জৰিয়তে আহৰণ কৰা অভিজ্ঞতা এই পাঠ্যপুথিসমূহৰ অন্যতম গুৰুত্বপূর্ণ সমল হিচাপে সংযোজিত হৈছে। ইয়াৰ উপৰিও অসমৰ ইতিহাস, কথিত ইংৰাজী, মৌখিক গণিত, বিশেষভাৱে প্রস্তুত কৰা দ্রুতপাঠ, ব্যৱহাৰিক বিজ্ঞানৰ অতিৰিক্ত পাঠ্যপুথিৰ লগতে সহ-পাঠ্যক্রমৰ বিভিন্ন বিষয় আদিও পাঠ্যক্রমৰ অন্তর্ভূক্ত কৰা হৈছে।

(গ) **নৱম শ্রেণী-দ্বাদশ শ্রেণী** : অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ (ASSEB) পাঠ্যক্রম অনুসৰণ কৰা হৈছে। (পূর্বৰ SEBA আৰু AHSEC)

বিদ্যালয়ৰ সময়

অংকুৰ, কুঁহি, সোপান আৰু প্রথম শ্রেণী : পুৱা ৮-৩০ বজাৰ পৰা দিনৰ ১১-৫৫ বজালৈ (অংকুৰ, কুঁহি, সোপান শ্রেণী শনিবাৰে বন্ধ থাকে)।

দ্বিতীয় শ্রেণীৰ পৰা দ্বাদশ শ্রেণীলৈ : পুৱা ৮-৩০ বজাৰ পৰা দিনৰ ২-৩৫ বজালৈ।

প্রতিদিনে পুৱা ৮-৩০ বজাত অসমৰ জাতীয় সংগীতেৰে বিদ্যালয়খনৰ কার্য্যসূচী আৰম্ভ কৰা হয়।

শনিবাৰ: ছুটীৰ সময় ১১-৫৫ বজা (প্রথম-নৱম শ্রেণী), ২-৩৫ বজা (দশম, একাদশ আৰু দ্বাদশ শ্রেণী)।

পোছাক

	ছাত্রৰ বাবে	ছাত্রীৰ বাবে
চোলা	আকাশী নীলা ৰঙৰ	আকাশী নীলা ৰঙৰ
পেণ্ট/স্কার্ট	ডাঠ ধোঁৱা ৰঙৰ	ডাঠ ধোঁৱা ৰঙৰ
জোতা	ক'লা	ক'লা
মোজা	বগা	বগা







- স্কুল বেজ: চোলাৰ জেপৰ ওপৰৰ অংশৰ মাজত থাকিব লাগিব।
- বেল্ট : ক'লা ৰঙৰ ক্রছ বেল্ট (অংকুৰ কুঁহি আৰু সোপান শ্রেণীৰ শিক্ষার্থীৰ বাবে বাধ্যতামূলক)।
- ক'লা ৰঙৰ বেল্ট (প্রথম শ্রেণীৰ পৰা দ্বাদশ শ্রেণীৰ শিক্ষার্থীৰ বাবে বাধ্যতামূলক)।

বিদ্যালয় কর্তৃপক্ষৰ দ্বাৰা নির্ধাৰিত ৰঙৰ ছাত্র-ছাত্রীৰ পোছাকৰ ব্যৱস্থা অভিভাৱকে নিজেই কৰিব। সপ্তাহটোৰ নির্ধাৰিত একোটা দিনত হাউছ অনুসৰি সুকীয়া পোছাক পিন্ধিব লাগিব। (ফ'টোত একাদিকক্রমে পাটকাই হাউছ, জাতিংগা হাউছ, কাজিৰঙা হাউছ আৰু ৰাইমনা হাউছ)

বর্তমানৰ মাচুলৰ গাঁথনি (২০২৬ চনৰ এপ্ৰিল মাহৰ পৰা ২০২৭ চনৰ মাৰ্চ মাহলৈ)

(টকাৰ হিচাপত)

	প্ৰাক-বিদ্যালয়	প্ৰথম-চতুৰ্থ	পঞ্চম-দশম
(ক) বছৰেকীয়া	১৭,১০০.০০	১৮,৩০০.০০	১৯,৬০০.০০
(খ) মাহিলি	১৭০০.০০	১৮০০.০০	১৯০০.০০

নতুনকৈ নামভর্তি কৰা ছাত্ৰ-ছাত্ৰীৰ বাবে নামভর্তি মাচুল : ৭০০০.০০ টকা।

বি.দ্ৰ. (১) সপ্তম আৰু অষ্টম শ্ৰেণীৰ কম্পিউটাৰ শিক্ষাৰ কাৰণে মাহিলি ৫০ (পঞ্চাছ) টকাকৈ অতিৰিক্ত মাচুল লোৱা হয়।

(২) বছৰটোত ছাত্ৰ-ছাত্ৰীৰ পৰা সৰু-সুৰাকৈ আন কোনো মাচুল লোৱা নহয়।

(৩) বিদ্যালয়ৰ নিৰ্ধাৰিত সময় অনুযায়ী সকলো শিক্ষাৰ্থীয়ে নামভর্তিৰ নবীকৰণ কৰাটো বাধ্যতামূলক।

মাচুল বৃদ্ধি সম্পৰ্কীয় :

(ক) মাহিলি মাচুলৰ লগতে বছৰেকীয়া মাচুলো সময়ে সময়ে কিছু পৰিমাণে বৃদ্ধি কৰা হয়।

(খ) অসম চৰকাৰৰ মাচুল নিৰ্ধাৰণ কমিটিলৈ নিয়ম অনুসৰি কিছু পৰিমাণে মাচুল বৃদ্ধিৰ বাবে দাখিল কৰা আবেদন কমিটিৰ অনুমোদন মৰ্মে মাচুল বৃদ্ধি হ'লে, সেই বৰ্ধিত মাচুল ওপৰত উল্লেখ কৰা মাচুলৰ নিৰিখত যোগ হ'ব। তেনে বৰ্ধিত মাচুল অহা শিক্ষাবৰ্ষৰ পৰা (০১-০৪-২০২৭) বলবৎ হ'ব।

নিয়মাৱলী সম্পৰ্কে

বিদ্যালয়খনৰ নিজা নিয়মাৱলী আছে। প্ৰয়োজনীয় সালসলনিৰে প্ৰতিটো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক এই নিয়মাৱলী দিয়া হয়। বিদ্যালয় সু-পৰিচালনাৰ বাবে প্ৰত্যেকে এই নিয়মাৱলী মানি চলাটো বাধ্যতামূলক।

কার্য্যালয়

অসম জাতীয় বিদ্যালয়

নুনমাটি, গুৱাহাটী-৭৮১০২০

Phone : (0361-2654229 / 0361-2557921)

e-mail assamjatiyabidyalay@gmail.com

website : www.assamjatiyabidyalay.com

instagram : assamjatiyabidyalay

facebook : Assam Jatiya Bidyalay

youtube : Assam Jatiya Bidyalay Official

ASSAM JATIYA BIDYALAY

Noonmati, Guwahati-781020

Established by :
Assam Jatiya Bidyalay Educational and Socio-Economic Trust.

Managed by :
Management Committee formed under the Government of Assam rules

Affiliation :
Assam State School Education Board

Classes :
From Pre-school to Class XII

Co-education

Academic Strength

Total number of teachers :162

Departments and Number of teachers:

Department of Assamese and Sanskrit (17)

Department of English (19)

Department of Social Science (17)

Department of Science (15)

Department of Mathematics and Statistics (17)

Department of Computer Science (3)

Department of Fine Arts (3)

Co-curricular Subjects (48)

Pre-school Section (13)


Department of Hindi (4)

Audio-Visual (1)

Physical Education (2)

Librarian (3)

প্ৰতিটো শিক্ষাবৰ্ষত শিক্ষাৰ্থীৰ সংখ্যা
(1994 বৰ্ষৰ পৰা 2026-27 বৰ্ষলৈ)



হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল (2000 বৰ্ষৰ পৰা 2026 বৰ্ষলৈ)
অসম জাতীয় বিদ্যালয়

Academic year	Appeared	Pass	Pass Percentage	Rank	Distinction (Introduced from 2004)	Star	First division (Including distinction & star)	Second division	Third division	Fail	Total letter marks
2000	22	22	100%	15th		3	16	6	Nil	Nil	26
2001	25	25	100%			6	18	7	Nil	Nil	17
2002	28	28	100%			8	21	7	Nil	Nil	37
2003	33	33	100%	3rd 15th		12	28	5	Nil	Nil	60
2004	46	46	100%	14th	12	10	41	4	1	Nil	101
2005	43	43	100%	14th 18th	7	13	42	1	Nil	Nil	108
2006	59	59	100%	5th 17th	7	20	51	8	Nil	Nil	133
2007	71	71	100%	2nd 8th 14th 19th	9	27	64	7	Nil	Nil	192
2008	83	83	100%	1st 12th 13th 17th	20	20	69	14	Nil	Nil	143
2009	107	107	100%	2nd 6th 11th 16th 18th 19th	19	30	96	11	Nil	Nil	330
2010	100	100	100%	3rd 8th 12th 14th 16th 17th 19th 20th	29	29	94	6	Nil	Nil	352

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল (2000 বৰ্ষৰ পৰা 2026 বৰ্ষলৈ)

অসম জাতীয় বিদ্যালয়

Academic year	Appeared	Pass	Pass Percentage	Rank	Distinction (Introduced from 2004)	Star	First division (Including distinction & star)	Second division	Third division	Fail	Total letter marks
2011	144	144	100%	10th 13th	24	48	133	11	Nil	Nil	446
2012	143	143	100%	6th 10th	37	62	138	5	Nil	Nil	537
2013	141	141	100%	10th	31	45	134	7	Nil	Nil	428
2014	149	149	100%		48	67	147	2	Nil	Nil	549
2015	136	136	100%		66	52	135	1	Nil	Nil	610
2016	141	141	100%	4th 13th 13th 17th 19th	65	45	137	4	Nil	Nil	612
2017	156	156	100%		46	70	151	5	Nil	Nil	555
2018	149	149	100%		58	47	143	6	Nil	Nil	556
2019	156	156	100%	5th	57	42	146	9	1	Nil	527
2020	127	127	100%	9th	37	39	111	16	Nil	Nil	375
2021	135	135	100%		28	32	109	26	Nil	Nil	293
2022	133	133	100%	10th	57	34	125	7	1	Nil	473
2023	140	140	100%	6th 10th	45	41	125	15	Nil	Nil	448
2024	140	140	100%		33	59	129	11	Nil	Nil	443
2025	138	138	100%	2nd	39	49	133	05	Nil	Nil	451
2026	123	123	100%		36	36	118	05	Nil	Nil	369

ক'ভিডসৃষ্ট পৰিস্থিতিৰ বাবে 2021 বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হোৱা নাছিল। অসম মাধ্যমিক শিক্ষা পৰিষদৰ (এতিয়াৰ অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ) দ্বাৰা নিৰ্ধাৰিত নীতি-নিৰ্দেশনা অনুসৰি আভ্যন্তৰীণ মূল্যায়নৰ ভিত্তিত এই ফলাফল ঘোষণা কৰা হৈছিল।

2024 বৰ্ষৰ পৰা অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে হাইস্কুল শিক্ষান্ত পৰীক্ষাত কেৱল শীৰ্ষৰ তিনিটা স্থানহে (rank) প্ৰকাশ কৰিছে।

সামগ্রিক ফলাফল : (2000 বৰ্ষৰ পৰা 2026 বৰ্ষলৈ)

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল

অসম জাতীয় বিদ্যালয়, নুনমাটি

মুঠ পৰীক্ষার্থী: 2868 গৰাকী

উত্তীর্ণৰ হাৰ: প্রতিটো বৰ্ষতে 100%

মুঠ স্থানপ্রাপ্ত (ষ্টেণ্ড কৰা) : 46 গৰাকী

2008 শিক্ষাবৰ্ষত ৰাজ্যৰ ভিতৰতে প্রথম স্থান

ডিষ্টিংছন্: 810 গৰাকী

ষ্টাৰ : 946 গৰাকী

প্রথম বিভাগ (ডিষ্টিংছন্ আৰু ষ্টাৰ ধৰি): 2654 গৰাকী (92.54%)

মুঠ লেটাৰ : 9171

ৰাজ্যিক সর্বোচ্চ নম্বৰ লাভ : মুঠ 219 (সাধাৰণ গণিত : 102, উচ্চ গণিত : 64, ইংৰাজী : 16, বিজ্ঞান : 12, অসমীয়া : 44, সমাজ বিজ্ঞান : 5, সংগীত : 3, সংস্কৃত : 2, সুকুমাৰ কলা : 3, কম্পিউটাৰ বিজ্ঞান : 2, নৃত্য : 3)

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল (2011 বৰ্ষৰ পৰা 2026 বৰ্ষলৈ)
অসম জাতীয় বিদ্যালয়

Academic year	Stream	Appeard	Pass	Pass Percentage	Rank	Star	First division (Including star)	Second division	Third division	Fail	Total letter marks
2011	Arts	25	25	100%		09	25	Nil	Nil	Nil	45
2012	Arts	30	30	100%		13	29	01	Nil	Nil	32
	Science	53	53	100%		38	52	01	Nil	Nil	103
2013	Arts	31	31	100%		13	29	02	Nil	Nil	65
	Science	36	36	100%		09	32	04	Nil	Nil	46
2014	Arts	36	36	100%	6th	27	34	02	Nil	Nil	112
	Science	57	57	100%		20	56	01	Nil	Nil	112
2015	Arts	29	29	100%	10th	18	28	01	Nil	Nil	79
	Science	26	26	100%		13	26	Nil	Nil	Nil	63
2016	Arts	46	46	100%	10th	24	44	02	Nil	Nil	134
	Science	57	57	100%		46	57	Nil	Nil	Nil	160
2017	Arts	59	59	100%		26	53	06	Nil	Nil	124
	Science	60	60	100%		18	56	04	Nil	Nil	105
2018	Arts	61	61	100%		16	49	12	Nil	Nil	92
	Science	57	57	100%		24	53	04	Nil	Nil	102
2019	Arts	61	61	100%	10th	18	47	14	Nil	Nil	96
	Science	60	59	98.33%		13	50	09	Nil	01	87
2020	Arts	46	46	100%	5th	16	32	14	Nil	Nil	65
	Science	51	51	100%		16	43	08	Nil	Nil	50
2021	Arts	54	54	100%		53	54	Nil	Nil	Nil	291
	Science	39	39	100%		39	39	Nil	Nil	Nil	231
2022	Arts	24	24	100%		13	23	01	Nil	Nil	60
	Science	31	31	100%		05	28	03	Nil	Nil	42
2023	Arts	46	46	100%		26	35	10	01	Nil	122
	Science	44	43	97.72%		11	27	14	02	01	64
2024	Arts	40	40	100%		28	38	02	Nil	Nil	131
	Science	49	48	97.96%		14	41	07	Nil	01	80
2025	Arts	64	64	100%		37	59	04	01	Nil	169
	Science	70	67	95.71%		22	53	14	Nil	03	95
2026	Arts	49	49	100%		27	45	04	Nil	Nil	121
	Science	85	85	100%		41	76	08	01	Nil	167

2024 বৰ্ষৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত স্থান (**rank**) পোৱা ব্যৱস্থা অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ তৰফৰ পৰা প্ৰত্যাহাৰ কৰা হৈছে।

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত স্থানপ্ৰাপ্ত শিক্ষাৰ্থীসকল:

স্থান	শিক্ষাৰ্থীৰ নাম	শাখা	বৰ্ষ
ষষ্ঠ	ভনিতা কলিতা	কলা	২০১৪
দশম	অবিনাশ ভৰদ্বাজ	কলা	২০১৫
দশম	গৌতমী বেজবৰুৱা	কলা	২০১৬
দশম	গুঞ্জন দাস	কলা	২০১৯
পঞ্চম	সম্পূৰ্ণা বাৎসায়ন	কলা	২০২০

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত শিক্ষাৰ্থীসকল:

বৰ্ষ	বিষয়	প্ৰাপ্ত নম্বৰ	শিক্ষাৰ্থীৰ নাম
২০১২	পৰিকলন বিজ্ঞান	৯৬	অন্বয়া দত্ত
২০১৫	তৰ্ক বিজ্ঞান আৰু দৰ্শন	৯৯	অবিনাশ ভৰদ্বাজ
২০১৬	শিক্ষা	৯৭	গৌতমী বেজবৰুৱা
২০১৬	শিক্ষা	৯৭	বিপাঞ্চী ভট্টাচাৰ্য্য
২০১৬	শিক্ষা	৯৭	ভাস্কৰজ্যোতি শৰ্মা
২০১৯	অসমীয়া	৯৮	অনুভৰী প্ৰিয়ানুজা
২০২৪	ৰাজনীতি বিজ্ঞান	১০০	কৃষাণী কলিতা

ক'ভিডসৃষ্ট পৰিস্থিতিৰ বাবে ২০২১ বৰ্ষত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হোৱা নাছিল। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা নিৰ্ধাৰিত নীতি-নিৰ্দেশনা অনুসৰি আভ্যন্তৰীণ মূল্যায়নৰ ভিত্তিত এই ফলাফল ঘোষণা কৰা হৈছিল।



সামগ্রিক ফলাফল : (2011 বৰ্ষৰ পৰা 2026 বৰ্ষলৈ)

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল

অসম জাতীয় বিদ্যালয়, নুনমাটি

কলা শাখা		বিজ্ঞান শাখা	
মুঠ পৰীক্ষার্থী:	701 গৰাকী	মুঠ পৰীক্ষার্থী:	775 গৰাকী
উত্তীর্ণ :	701 গৰাকী	উত্তীর্ণ :	769 গৰাকী
মুঠ স্থানপ্রাপ্ত (ষ্টেণ্ড কৰা) :	5 গৰাকী		
ষ্টাৰ :	364 গৰাকী	ষ্টাৰ :	329 গৰাকী
প্রথম বিভাগ :	624 গৰাকী (89.02%)	প্রথম বিভাগ :	689 গৰাকী (88.90%)
দ্বিতীয় বিভাগ :	11 গৰাকী	দ্বিতীয় বিভাগ :	77 গৰাকী
তৃতীয় বিভাগ :	2 গৰাকী	তৃতীয় বিভাগ :	3 গৰাকী
মুঠ লেটাৰ:	1738	মুঠ লেটাৰ:	1507

ৰাজ্যিক সর্বোচ্চ নম্বৰ লাভ :	মুঠ 7 (কম্পিউটাৰ বিজ্ঞান : 1, তর্কশাস্ত্র আৰু দর্শন : 1, শিক্ষা : 3, অসমীয়া : 1, ৰাজনীতি বিজ্ঞান : 1)

ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত অসম জাতীয় বিদ্যালয়ৰ সাফল্য

ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ, পুণে, ২০০১ চনত বিজ্ঞান ভিত্তিক প্ৰকল্পৰ উপস্থাপন। প্ৰকল্প প্ৰস্তুতকৰ্তা: গাৰ্গী গোস্বামী, জাহ্নবী গোস্বামী আৰু যুথিকা দাস। তত্ত্বাৱধায়ক : পংকজ দত্ত।

ৰাষ্ট্ৰীয় শিশু বিজ্ঞান নাট সমাৰোহ, মুম্বাই, ২০০২ চনত নাট প্ৰদৰ্শন কৰি শ্ৰেষ্ঠ নাট্যকাৰৰ সন্মান। তত্ত্বাৱধায়ক : অসীম কৃষ্ণ বৰুৱা।

ছিগাল ৰাষ্ট্ৰীয় নাট সমাৰোহ, গুৱাহাটী, ২০০২ চনত নাট প্ৰদৰ্শন।

ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ, মহীশূৰ, ২০০২ চনত বিজ্ঞান ভিত্তিক প্ৰকল্পৰ উপস্থাপন। প্ৰকল্প প্ৰস্তুতকৰ্তা: অৱন্তিকা পৰাশৰ আৰু মিতালী কলিতা। তত্ত্বাৱধায়ক : পংকজ দত্ত।

ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ, গুৱাহাটী, ২০০৪ চনত বিজ্ঞান ভিত্তিক প্ৰকল্পৰ উপস্থাপন (২টা দলৰ অংশগ্ৰহণ)। প্ৰকল্প প্ৰস্তুতকৰ্তা: ১) তন্ময় শৰ্মা আৰু সৌৰভ কাকতি। ২) প্ৰেৰণা খনিকৰ আৰু প্ৰণামী বুঢ়াগোহাঞি। তত্ত্বাৱধায়ক : পংকজ দত্ত।

ৰাজ্যিক ভিত্তিত শ্ৰেষ্ঠ প্ৰকল্প হিচাপে বিবেচিত হোৱা বাবে ভাৰতীয় বিজ্ঞান মহাসভা, আহমেদাবাদ, ২০০৪ চনত বিজ্ঞান ভিত্তিক প্ৰকল্প উপস্থাপনৰ বাবে নিৰ্বাচিত। প্ৰকল্প প্ৰস্তুতকৰ্তা: প্ৰেৰণা খনিকৰ আৰু প্ৰণামী বুঢ়াগোহাঞি। উপস্থাপন : প্ৰণামী বুঢ়াগোহাঞি।
তত্ত্বাৱধায়ক : পংকজ দত্ত।

ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ, ভুবনেশ্বৰ, ২০০৫ চনত বিজ্ঞান ভিত্তিক প্ৰকল্পৰ উপস্থাপন। প্ৰকল্প প্ৰস্তুতকৰ্তা: মধুস্মিতা শৰ্মা।
তত্ত্বাৱধায়ক : পংকজ দত্ত।

ৰাষ্ট্ৰীয় শিশু বিজ্ঞান নাট সমাৰোহ, কলকাতা, ২০০৬ চনত নাট উপস্থাপন। তত্ত্বাৱধায়ক : অসীম কৃষ্ণ বৰুৱা।

ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ, ছিকিম, ২০০৬ চনত বিজ্ঞান ভিত্তিক প্ৰকল্পৰ উপস্থাপন। প্ৰকল্প প্ৰস্তুতকৰ্তা: প্ৰীতিশ কাকতী আৰু নিৰ্বান খাউণ্ড। তত্ত্বাৱধায়ক : আমিনুল হক।

ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ, ডিমাপুৰ, ২০০৮ চনত বিজ্ঞান ভিত্তিক প্ৰকল্পৰ উপস্থাপন। প্ৰকল্প প্ৰস্তুতকৰ্তা: অয়ন শৰ্মা আৰু ভাৰ্গৱ ডেকা। তত্ত্বাৱধায়ক : পংকজ দত্ত।

ৰাজ্যিক ভিত্তিত শ্ৰেষ্ঠ প্ৰকল্প হিচাপে বিবেচিত হোৱা বাবে ভাৰতীয় বিজ্ঞান মহাসভা, শ্বিলং, ২০০৯ চনত বিজ্ঞান ভিত্তিক প্ৰকল্প উপস্থাপনৰ বাবে নিৰ্বাচিত। প্ৰকল্প প্ৰস্তুতকৰ্তা: অয়ন শৰ্মা আৰু ভাৰ্গৱ ডেকা। উপস্থাপন: ভাৰ্গৱ ডেকা।

International Conference on Hands-on-Science, আহমেদাবাদ, ২০০৯ চনত বিজ্ঞান ভিত্তিক প্ৰকল্পৰ উপস্থাপন। প্ৰকল্প প্ৰস্তুতকৰ্তা: অয়ন শৰ্মা আৰু ভাৰ্গৱ ডেকা। উপস্থাপন: অয়ন

NASA ASTRONAUT MIKE FINCKE, COMMENDER of Expedition 18 Mission ৰ লগত মহাকাশত ভ্ৰাম্যমাণ অৱস্থাত ২০০৯ চনৰ ৭ জানুৱাৰী তাৰিখে দুপৰীয়া ১.২৪ বজাত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সৈতে অন্তৰংগ আলাপ।

ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ, বেনাৰস হিন্দু বিশ্ববিদ্যালয়, বাৰাণসী, ২০১২ চনত বিজ্ঞান ভিত্তিক প্ৰকল্পৰ উপস্থাপন। প্ৰকল্প প্ৰস্তুতকৰ্তা: অভিজিত দাস, চিন্ময় বৈশ্য, কমল বৰ্মন আৰু ধৃতিৰাজ কাশ্যপ। তত্ত্বাৱধায়ক : পংকজ দত্ত।

২০১৪ চনত সংগীত নাটক অকাডেমী আৰু সূর্য্যৰ উদ্যোগত হোৱা ৰাষ্ট্ৰীয় নাট সমাৰোহত আৰু ব্ৰজনাথ শৰ্মা ৰাষ্ট্ৰীয় নাট সমাৰোহত শিক্ষাৰ্থীৰ দ্বাৰা নাটক মঞ্চস্থ। তত্ত্বাৱধায়ক : অসীম কৃষ্ণ বৰুৱা।

ৰাজ্যিক ভিত্তিত শ্ৰেষ্ঠ প্ৰকল্প হিচাপে বিবেচিত হোৱা বাবে ভাৰতীয় বিজ্ঞান মহাসভা, কলকাতা, ২০১৩ চনত বিজ্ঞান ভিত্তিক প্ৰকল্প উপস্থাপনৰ বাবে নিৰ্বাচিত। প্ৰকল্প প্ৰস্তুতকৰ্তা: অভিজিত দাস, চিন্ময় বৈশ্য, কমল বৰ্মন আৰু ধৃতিৰাজ কাশ্যপ।

NORTH DAKOTA STATE UNIVERSITY, NORTH DAKOTA, USA-য়ে আয়োজন কৰা 'WATEREDISCOVER' শীৰ্ষক প্ৰকল্পত পৃথিৱীৰ অন্য ৬খন দেশৰ লগত ভাৰতৰ হৈ বিদ্যালয়ৰ অংশগ্ৰহণ। উক্ত প্ৰকল্প Video Conferencing যোগে আটাইকেইখন দেশে উপস্থাপন কৰে। প্ৰকল্প প্ৰস্তুতকৰ্তা: অবিনাশ শৰ্মা, মৃদুদীপ পাঠক, শশাংক তালুকদাৰ, প্ৰজ্ঞান সভাপণ্ডিত, ৰোমাঞ্জন দাস আৰু কল্যাণ খাউণ্ড।

ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ, ভূপাল, ২০১৩ চনত বিজ্ঞান ভিত্তিক প্ৰকল্প উপস্থাপনৰ বাবে নিৰ্বাচিত। প্ৰকল্প প্ৰস্তুতকৰ্তা: লোচন সন্দিকৈ, ঈশান পাটোৱাৰী আৰু ওৱাহিদুৰ ৰহমান। তত্ত্বাৱধায়ক : পংকজ দত্ত।

ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত অসম জাতীয় বিদ্যালয়ৰ সাফল্য

